# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১৭১

উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬

**বিষয়ঃ ডিগবৈ তেল শোধানাগাৰ তেল শোধনৰ ক্ষমতা বৃদ্ধিৰ সম্পৰ্কে।** **সদস্যৰ নামঃ শ্ৰীসুৰেণ ফুকনঃ**

**১৭১।** মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এচিয়াৰ ভিতৰতে প্ৰথম তেল শোধানাগাৰ ডিগবৈ তেল শোধানাগাৰৰ শোধন ক্ষমতা ০.৬৫ মিলিয়ন মেট্ৰিক টনৰ পৰা ১ মিলিয়ন মেট্ৰিক টনলৈ শোধানাগাৰটোৰ ক্ষমতা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কি কি পদক্ষেপ লৈছে আৰু কিমান দিনৰ ভিতৰত শোধন ক্ষমতা সম্পূৰ্ণ বৃদ্ধিৰ সময় নিৰ্ধাৰণ কৰিছে?

(খ) শোধানাগাৰটোৰ অধীনত থকা অব্যৱহৃত ভূমিৰ পৰিমাণ জনাব নেকি? এই ভূমিক উদ্যোগ বিভাগে আনুসাংগিক উদ্যোগ নিৰ্মাণৰ বাবে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

**<u>উত্তৰঃ</u>**

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ**

(ক) ডিগবৈ তেল শোধানাগাৰৰ শোধন ক্ষমতা ০.৬৫ মিলিয়ন মেট্ৰিক টনৰ পৰা ১ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ প্ৰকল্প বিভাগীয় কতৃপক্ষৰ অনুমোদন সাপেক্ষে ৰূপায়নৰ কাম দ্ৰুত গতিত চলি আছে আৰু ইয়াক সম্পূৰ্ণ কৰাৰ সময়সীমা জুলাই ২০২৭ ত নিৰ্দ্ধাৰণ কৰা হৈছে। প্ৰকল্পসমূহৰ কাম-কাজ সময়মতে সম্পূৰ্ণ কৰাৰ বাবে নিৰন্তৰভাৱে পৰ্যবেক্ষণ কৰি থকা হৈছে। উপযুক্ত ক্ষেত্ৰত অসম চৰকাৰেও এই প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই আহিছে।
আইনগত পৰিৱেশ মূল্যায়ন প্ৰক্ৰিয়াটো সুকলমে সম্পন্ন হোৱাত আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (APCB) / জিলা প্ৰশাসনৰ জৰিয়তে জনশুনানি (Public Hearing) অনুষ্ঠিত কৰা আদিত সহায়-সহযোগিতা আগবঢ়ায়।

(খ) ডিগবৈ তেল শোধানাগাৰ কতৃপক্ষই জনোৱা মতে শোধানাগাৰৰ অধীনত কোনো অব্যৱহৃত ভূমি নাই। গতিকে, কোনো আনুসাংগিক উদ্যোগ নিৰ্মাণৰ পৰিকল্পনাৰ প্ৰশ্ন নুঠে ।

শোধানাগাৰ কৰ্তৃপক্ষই অৱগত কৰা মতে প্ৰকল্পৰ সম্প্ৰসাৰণৰ ফলত তলত উল্লেখ কৰা ধৰণে কেইবাটাও ডাউনষ্ট্ৰিম আৰু আনুষংগিক (Ancillary) উদ্যোগ স্থাপনৰ যথেষ্ট সম্ভাৱনা আছে—

**অগ্ৰাধিকাৰ ভিত্তিত স্থাপনযোগ্য আনুষংগিক উদ্যোগসমূহ-**

১. সজ্জামূলক আৰু গৃহস্থালীৰ মমবাতি উৎপাদন উদ্যোগ
২. মোম-আবৃত কাগজ আৰু পেকেজিং সামগ্ৰী উৎপাদন উদ্যোগ
৩. কছমেটিক-গ্ৰেড মোম আৰু পেট্ৰ'লিয়াম জেলি উৎপাদন উদ্যোগ
৪. ঔদ্যোগিক লুব্ৰিকেণ্ট আৰু গ্ৰীজ ব্লেণ্ডিং উদ্যোগ
৫. কেলচাইণ্ড পেট্ৰ'লিয়াম কোক (CPC) উৎপাদন উদ্যোগ
৬. ছালফাৰভিত্তিক সাৰ আৰু ৰাসায়নিক উদ্যোগ

এই উদ্যোগসমূহ স্থাপনৰ জৰিয়তে ডিগবৈ শোধনাগাৰৰ উপ-পণ্যসমূহৰ মূল্য সংযোজন, ক্ষুদ্ৰ-মজলীয়া উদ্যোগ (MSME)ৰ বিকাশ, স্থানীয় কৰ্মসংস্থাপন বৃদ্ধি আৰু অসমৰ ঔদ্যোগিক অৰ্থনীতি অধিক শক্তিশালী কৰাৰ যথেষ্ট সম্ভাৱনা আছে।

অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগে ৰাজ্যৰ চাৰিটা শোধানাগাৰক ভিত্তি কৰি ডাউনষ্ট্ৰিম উদ্যোগ আৰু আনুষংগিক উদ্যোগ স্থাপনৰ সম্ভাৱনাৰ ওপৰত এখন কৰ্মশালা **৩১** জুলাই, ২০২৬ তাৰিখৰ ভিতৰত আয়োজন কৰিব ।

**************